**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-06-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
--------------------

১। আন্তঃৰাষ্ট্ৰীয় সংগীত সমাৰোহ আয়োজনৰ উদ্দেশ্যে অসম পৰ্যটন উন্নয়ন নিগম আৰু বিগ ট্ৰী এণ্টাৰটেইনমেণ্ট প্ৰাইভেট লিমিটেডৰ বুজাবুজিৰ চুক্তিত স্বাক্ষৰ।

২। বিদ্যুতৰ বৰ্ধিত চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্য চৰকাৰৰ শক্তিখণ্ডত গুৰুত্ব আৰোপ।

৩। বোকাখাতৰ পাণবাৰী চি আৰ পি এফ শিবিৰত সংঘটিত  গ্ৰেণেড বিস্ফোৰণত অসম আৰক্ষীৰ তিনিজন জোৱান গুৰুতৰভাৱে আহত।

৪। উৰণ সেতু নিৰ্মাণৰ বাবে দীঘলীপুখুৰীৰ বিপৰীত দিশৰ পৈনত গছসমূহ স্পৰ্শ কৰা নহয় বুলি ৰাজহুৱা স্বাৰ্থজড়িত আবেদনৰ শুনানিত ৰাজ্য চৰকাৰৰ প্ৰকাশ। ***আৰু***

৫। হেডিংলী টেষ্টত ভাৰতৰ বিৰুদ্ধে ইংলেণ্ডৰ ৫ উইকেটত জয়লাভ। পাঁচখনীয়া শৃংখলাত ইংলেণ্ডৰ ১-০ৰ অগ্ৰগতি।

০০০০০০

ৰাজ্যত আন্তঃৰাষ্ট্ৰীয় সংগীত সমাৰোহ আয়োজনৰ উদ্দেশ্যে অসম পৰ্যটন উন্নয়ন নিগম আৰু বিগ ট্ৰী এণ্টাৰটেইনমেণ্ট প্ৰাইভেট লিমিটেডৰ মাজত এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰা হৈছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই কথা উল্লেখ কৰি কয়, যে বিশ্বমানৰ বিনোদনৰ কেন্দ্ৰ হিচাপে অসমৰ পৰিচয় গঢ়াৰ দিশত এই চুক্তি নিঃসন্দেহে শক্তিশালী পদক্ষেপ হিচাপে বিবেচিত হ'ব। মুখ্যমন্ত্ৰীয়ে এই চুক্তি কেৱল সংগীত সমাৰোহ আয়োজনৰ বাবে অনুকুল পৰিৱেশ সৃষ্টিতে সীমাবদ্ধ নহয় বুলি উল্লেখ কৰে। তেওঁ কয়, যে ইয়াৰ জৰিয়তে ৰাজ্যখনৰ উজ্জীৱিত ৰূপ, প্ৰতিভা আৰু উদ্যম প্ৰতিফলিত কৰাৰ উপৰি সংগীতৰ বিশ্বজনীন ভাষাৰ জৰিয়তে অসমৰ সমৃদ্ধ সংস্কৃতিক বিশ্বৰ সৈতে সংযোগ কৰাৰ প্ৰয়াস কৰা হ'ব। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে গুৱাহাটীত হৈ থকা আন্তঃগাঁথনিমূলক উন্নয়ন আৰু আতিথ্য খণ্ডৰ বিকাশৰ জৰিয়তে অসম এতিয়া আন্তঃৰাষ্ট্ৰীয় সংগীত সমাৰোহ আয়োজনৰ বাবে সম্পূৰ্ণৰূপে সাজু হৈ উঠিছে। তেওঁ লগতে ডিব্ৰুগড়কে ধৰি ৰাজ্যৰ বিভিন্ন স্থানত থকা অপাৰ সম্ভাৱনাই এই সমাৰোহ গুৱাহাটী মহানগৰীৰ মাজতে সীমাবদ্ধ নাৰাখি ভিন্ন প্ৰান্তলৈ সম্প্ৰসাৰিত কৰিব বুলি উল্লেখ কৰে। …… **বাইট চি এম**

০০০০০০

চৰকাৰে  বিদ্যুতৰ বৰ্ধিত চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্যৰ শক্তিখণ্ডত অধিক গুৰুত্ব প্ৰদান কৰিছে। ধুবুৰী জিলাৰ বিলাসীপাৰা সমজিলাৰ অন্তৰ্গত চাপৰ ৰাজহ চক্ৰৰ অধীনৰ চিৰাকুটা চাৰুৱা বকৰাত স্থাপন কৰিবলগীয়া প্ৰস্তাৱিত তাপ শক্তি প্ৰকল্পৰ স্থান পৰিদৰ্শন কৰি কালি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এইদৰে প্ৰকাশ কৰে। চাহিদা অনুপাতে বিদ্যুৎ যোগানৰ  বিকল্প ব্যৱস্থা সাজু কৰি তোলাটো জৰুৰী হৈ পৰিছে বুলি উল্লেখ কৰি তেওঁ কয়, যে বিলাসীপাৰাৰ প্ৰস্তাৱিত ৩ হাজাৰ ৪০০ মেগাৱাট শক্তিসম্পন্ন তাপ বিদ্যুৎ কেন্দ্ৰটোৱে অসমৰ বিকাশ শক্তিশালী কৰাত সহায় কৰিব। মুখ্যমন্ত্ৰীগৰাকীয়ে এই উদ্যোগটো কাৰ্যক্ষম হ'লে স্থানীয় যুৱক-

যুৱতীসকলৰ বাবে কেইবাহাজাৰ প্ৰত্যক্ষ আৰু পৰোক্ষ কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি হ'ব বুলি মন্তব্য কৰে। প্ৰস্তাৱিত স্থানত বিধিগতভাৱে বাস কৰা লোকসকলক পৰ্যাপ্ত ক্ষতিপূৰণ আৰু পুনৰ সংস্থাপন প্ৰদান কৰা হ'ব বুলি তেওঁ আশ্বাস দিয়ে। ড° শৰ্মাই সংশ্লিষ্ট বিষয়াসকলৰ সৈতে ৩ হাজাৰ ৩০০ বিঘাৰো অধিক ভূমি সামৰি নিৰ্মাণ হ'বলগীয়া প্ৰকল্পটোৰ আন্তগাথনিমূলক প্ৰয়োজনীতা সন্দৰ্ভতো পৰ্যালোচনা কৰে। পৰিদৰ্শনকালত মুখ্যমন্ত্ৰীৰ সৈতে ৰাজ্য চৰকাৰৰ মুখ্য সচিব ড° ৰবি কোটাও উপস্থিত থাকে।

oooooo

ৰাজ্য চৰকাৰে উৰণ সেতুৰ পুনৰ নিৰ্ধাৰিত নক্সাৰ বাবে দীঘলীপুখুৰীৰ বিপৰীত দিশৰ অসম ৰাজ্যিক সংগ্ৰহালয় চৌহদত আৰু ইয়াৰ আশে পাশে থকা ২৩ জোপা পৈনত গছ স্পৰ্শ নকৰে। উৰণ সেতু নিৰ্মাণৰ নামত গছ কটাৰ বিৰুদ্ধে গুৱাহাটী উচ্চ ন্যায়ালয়ত দাখিল কৰা এখন ৰাজহুৱা স্বাৰ্থজড়িত আবেদনৰ শুনানিৰ সময়ত আজি ৰাজ্য চৰকাৰৰ হৈ মহাধিবক্তা দেৱজিত শইকীয়াই এই তথ্য সদৰি কৰে। তেওঁ ইতিমধ্যে স্থানান্তৰিত কৰা গছসমূহৰ স্থিতি সন্দৰ্ভত ফটোসহ এখন শপতনামা দাখিল কৰিব বুলি ন্যায়ালয়ক অৱগত কৰে। উল্লেখযোগ্য যে অসম ৰাজ্যিক সংগ্ৰহালয়ৰ লগতে ইয়াৰ চৌপাশৰ ২৩ জোপা গছ স্থানান্তৰিত কৰাৰ আশংকা প্ৰকাশ কৰি দুজনকৈ লোকে উচ্চ ন্যায়ালয়ত এই ৰাজহুৱা স্বাৰ্থজড়িত আবেদন দাখিল কৰিছিল।

oooooo

গোলাঘাট জিলাৰ বোকাখাতৰ পাণবাৰী চি আৰ পি এফ শিবিৰত যোৱানিশা সংঘটিত এটা গ্ৰেণেড বিস্ফোৰণত অসম আৰক্ষীৰ তিনিজন জোৱান গুৰুতৰভাৱে আহত হয়। এখন চলন্ত বাইকৰ পৰা কোনো দুৰ্বৃত্তই চি আৰ পি এফৰ শিবিৰলৈ লক্ষ্য কৰি গ্ৰেণেড দলিয়াই থৈ যায় বুলি আৰক্ষীৰ উদ্ধৃতিৰে আমাৰ গোলাঘাটৰ সংবাদদাতাই জনাইছে। আহত জোৱানকেইজন হৈছে - সিদ্ধাৰ্থ বৰবৰা, সুশীল ভূমিজ আৰু মিণ্টু হাজৰিকা। তেওঁলোকক শীঘ্ৰেই বোকাখাতৰ শ্বহীদ কমলা মিৰি অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। উল্লেখযোগ্য যে কাৰ্বিআংলঙত কে পি এল টি আৰু কে এন ভি উগ্ৰপন্থীৰ সন্ত্ৰাসৰ পৰিপ্ৰেক্ষিতত বহুবছৰ পূৰ্বে গোলাঘাট আৰু কাৰ্বি আংলং জিলাৰ সীমান্তৰ পাণবাৰীত এই চি আৰ পি এফৰ শিবিৰটো স্থাপন কৰা হৈছিল। কিন্তু বৰ্তমান কাৰ্বি উগ্ৰপন্থীৰ সন্ত্ৰাস নাইকিয়া হোৱাত শিবিৰটোৰ গুৰুত্বও হ্ৰাস পাইছিল। শেহতীয়াকৈ এই শিবিৰত কিছুসংখ্যক চি আৰ পি এফ আৰু অসম আৰক্ষীৰ জোৱানক ৰখা হৈছিল। গ্ৰেণেড বিস্ফোৰণৰ পাছতেই আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে।

oooooo

শিৱসাগৰৰ ভটিয়াপাৰত থকা ১৪৭ নম্বৰ তৈলখাদত অ'এনজিচিয়ে আন্তঃৰাষ্ট্ৰীয় কুপ নিয়ন্ত্ৰণ বিশেষজ্ঞৰ সহযোগত কুপ নিয়ন্ত্ৰণ অভিযানত কৌশলগত অগ্ৰগতি লাভ কৰিছে। বিশেষজ্ঞসকলে ৮০ মিটাৰ দৈৰ্ঘ্যৰ বুম সম্পন্ন দুশ টনৰ ক্ৰেন এখন স্থাপন কৰিবলৈ সমৰ্থ হৈছে। কুপ কেপিং অৰ্থাৎ তৈলখাদটো স্থায়ীভাৱে বন্ধ কৰাৰ ক্ষেত্ৰত এয়া গুৰুত্বপূৰ্ণ অগ্ৰগতি হিচাপে বিবেচিত হৈছে। তৈলখাদটোত হোৱা গেছ নিৰ্গমন অহা দুই-এদিনৰ ভিতৰতে সম্পূৰ্ণকৈ নিয়ন্ত্ৰিত হোৱাৰ আশা কৰা গৈছে।

oooooo

১৯৭৫ চনত দেশত জৰুৰী অৱস্থা ঘোষণাৰ ৫০ বছৰ পূৰ্ণ হোৱা দিনটো আজি দেশত সংবিধান হত্যা দিৱস হিচাপে পালন কৰা হৈছে। সেই সময়ত প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে জৰুৰী অৱস্থা ঘোষণা কৰি সমগ্ৰ দেশতে ৰাজনৈতিক দলৰ নেতা-কৰ্মী, সাংবাদিক, শ্ৰমিক-সংগঠনৰ নেতাকে ধৰি প্ৰায় ডেৰ লাখ লোকক কাৰাৰুদ্ধ কৰিছিল আৰু সংবাদ মাধ্যমৰ স্বাধীনতা বিলুপ্ত কৰিছিল। ভাৰতীয় জনতা পাৰ্টী আৰু ৰাষ্ট্ৰীয় স্বয়ং

সেৱক সংঘকে ধৰি ভালেমান সংগঠনে আজি অসমতো সংবিধান হত্যা দিৱসৰ আয়োজন কৰিছে। এই দিৱসত দেশৰ সাংবিধানিক পৰম্পৰা আৰু বাক স্বাধীনতা যাতে কোনপধ্যেই খৰ্ব নহয়, সেইক্ষেত্ৰত কাম কৰি যাবলৈ সকলো সংকল্পবদ্ধ হ'ব। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি সন্ধিয়াৰ আঞ্চলিক বাতৰিত জৰুৰী অৱস্থাৰ ৰাষ্ট্ৰ সন্ত্ৰাসৰ বলি হোৱা ব্যক্তিৰ অভিমত প্ৰচাৰ কৰিব।

oooooo

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ ৪১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, এফ এম বেণ্ডৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক ৬ মেগাহাৰ্টজৰ লগতে **ফে'চবুক পেজ-এ আই আৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙতো** শুনিছে। এই বাতৰি আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৱাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

oooooo

সামাজিক মাধ্যমত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিৰুদ্ধে অপমানসূচক আৰু আপত্তিজনক ভিডিঅ' শ্বেয়াৰ কৰাৰ অভিযোগত বজালী আৰক্ষীয়ে কালি সন্ধিয়া এজন যুৱকক আটক কৰে। ধৃত লোকজন সৰুপেটা আৰক্ষী চকীৰ অন্তৰ্গত সানিকুৰা গাঁৱৰ চুলতান আলী বুলি আৰক্ষীয়ে জনাইছে। বাংলাদেশৰ এটা ফে'চবুক পেজত প্ৰধানমন্ত্ৰীৰ বিৰুদ্ধে প্ৰচাৰ কৰা আপত্তিজনক ভিডিঅ'টো চুলতান আলীয়ে নিজৰ ফে'চবুক একাউণ্টৰ পৰা শ্বেয়াৰ কৰিছিল।

oooooo

তামুলপুৰ জিলাৰ কুমাৰীকাটাত কালি বিয়লি তামুলপুৰ মহকুমা ট্ৰাক মালিক সন্থাৰ উদ্যোগত পথ সুৰক্ষা সন্দৰ্ভত এখন সজাগতা সভা অনুষ্ঠিত হয়। সভাত দুচকীয়া বাহন চালকক হেলমেট পৰিধান কৰাৰ লগতে যিকোনো গধূৰ যান-বাহন চলাচলত সম্পূৰ্ণ নীতি-নিয়ম মানি চলিবলৈ সকলোকে আহ্বান জনায়। সভাত উপস্থিত থকা জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তীয়ে যান-বাহন চলাচলৰ নিয়ম ভংগ কৰা লোকক আইনগতভাৱে কঠোৰ শাস্তিৰ ব্যৱস্থা কৰিব বুলি সকীয়াই দিয়ে। জ্যেষ্ঠ আৰক্ষী অধীক্ষক দিগন্ত কুমাৰ চৌধুৰীয়ে যান-বাহন চালকসকলক বাহন চালনৰ সময়ত মাদক দ্ৰব্য সেৱনৰ পৰা বিৰত থাকিবলৈ আহ্বান জনায়।

oooooo

ভাৰতৰ বিৰুদ্ধে চলিত টেষ্ট শৃংখলাৰ প্ৰথমখন খেলত ইংলেণ্ডে ৫ উইকেটত জয়লাভ কৰিছে। হেডিংলীত অনুষ্ঠিত ৫ খন খেলৰ টেষ্ট শৃংখলাৰ প্ৰথমখন খেলৰ কালি অন্তিম দিনা ইংলেণ্ডে দ্বিতীয় ইনিংছত ৫ উইকেটৰ বিনিময়ত ৩৭৩ ৰান কৰি কঠিন বিজয় লক্ষ্যত উপনীত হয়। দৃঢ় বেটিঙেৰে দ্বিতীয় ইনিংছৰ খেল আৰম্ভ কৰা ঘৰুৱা দলটোৰ অপেনাৰদ্বয় বেন ডাকেটে ১৪৯ আৰু জেক ক্ৰলীয়ে ৬৫ ৰান কৰে। জ' ৰুটৰ ৫৩ আৰু জেমি স্মিথৰ ৪৪ ৰানৰ সহায়ত দলটোৱে বিজয় সাব্যস্ত কৰে। ভাৰতৰ হৈ প্ৰসিদ্ধ কৃষ্ণা আৰু ছাৰ্দুল ঠাকুৰে দুটাকৈ উইকেট দখল কৰে। ডাকেটক প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়।

খেলখনৰ চূড়ান্ত স্কৰসমূহ ঃ

ভাৰত - প্ৰথম ইনিংছ ৪৭১ ৰান আৰু দ্বিতীয় ইনিংছ ৩৬৪ ৰান।

ইংলেণ্ড - প্ৰথম ইনিংছ ৪৬৫ ৰান আৰু দ্বিতীয় ইনিংছ ৫ উইকেটৰ বিনিময়ত ৩৭৩ ৰান।

শৃংখলাৰ দ্বিতীয়খন খেল অহা ২ জুলাইত এজবেষ্টনত বাৰ্মিংহামত আৰম্ভ হ'ব।

০০০০০০

আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ইৰাণ আৰু ইজৰাইলৰ ১২দিনীয়া যুদ্ধৰ সামৰণি ঘোষণা কৰিছে। মঙলবাৰে মাজনিশা সামাজিক মাধ্যমযোগে ৰাষ্ট্ৰপতি ট্ৰাম্পে এইবুলি উল্লেখ কৰে যে মাৰ্কিন ৰাষ্ট্ৰপতি আৰু কাটাৰৰ আমিৰৰ মধ্যস্থতাত দুয়োটা পক্ষ যুদ্ধবিৰতিৰ বাবে সন্মত হৈছে। এই বাতৰিটোৱে আজি **অসমীয়া প্ৰতিদিন, দৈনিক জনমভূমি,** THE ASSAM TRIBUNE, THE TIMES OF INDIAকে ধৰি গুৱাহাটীৰ পৰা আজি প্ৰকাশিত প্ৰায়কেইখন কাকতেতেই প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে। ১৬জুনত গোৱালপাৰাৰ হাহিলা বিলত জিলা প্ৰশাসনে উচ্ছেদ অভিযান চলোৱাৰ পাছত কালি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই উচ্ছেদস্থলী পৰিদৰ্শন কৰে আৰু উৰপদ-কুমৰী বিলকো বেদখলমুক্ত কৰি বিল তিনিখনক সংৰক্ষিত বনাঞ্চললৈ ৰূপান্তৰ কৰা হব বুলি ঘোষণা কৰে। এই বাতৰিটোক অনান্য কাকতৰ লগতে **নিয়মীয়া বাৰ্তা আৰু অসমীয়া খবৰ কাকতে** প্ৰথমপৃষ্ঠাত প্ৰকাশ কৰিছে। গো মাংসক লৈ ৰাজ্যজুৰি কেবাটাও ঘটনা আৰু বিতৰ্কৰ সূত্ৰপাত হোৱাৰ পাছত অন্য লোকৰ ধৰ্মীয় অনুভূতিত আঘাত হানিব পৰা কাম নকৰিবলৈ সকলো পক্ষকে মুখ্যমন্ত্ৰীয়ে আহ্বান জনাইছে। **আমাৰ অসম** কাকতৰ প্ৰথম পৃষ্ঠাত প্ৰকাশ পোৱা এই বাতৰিটোৰ শিৰোনাম *নিষিদ্ধ মাংসক লৈ মুখ্যমন্ত্ৰীৰ যুদ্ধবিৰতি*। বোকাখাতত কালি নিশা এটা চি আৰ পি এফ শিবিৰত সংঘটিত গ্ৰেনেড বিস্ফোৰণত তিনিজন আৰক্ষী জোৱান আহত হোৱাৰ বাতৰিটোক অনান্য কাকতসমূহৰ লগতে **দৈনিক অগ্ৰদূত** কাকতেও প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। শক্তিপীঠ কামাখ্যাত অম্বুবাচী মহাযোগক লৈ সাধু সন্ত আৰু ভক্তপ্ৰাণ ৰাইজৰ মাজত ব্যাপক উচাহ পৰিলক্ষিত হৈছে। এই সম্পৰ্কীয় এটা বাতৰি অনান্য কাকতসমূহৰ লগতে THE SENTINAL কাকতেও প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

০০০০০০

বতৰৰ বতৰা-

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৩ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

চিৰাং জিলাৰ বাসুগাঁও থানাৰ অন্তৰ্গত আশ্ৰাবাৰী গাঁৱত কালি বিদ্যুৎপৃষ্ট এগৰাকী কিশোৰৰ কৰুণ মৃত্যু হয়। জিলাখনৰ শ্যানথাইবাৰী আদৰ্শ বিদ্যালয়ৰ অষ্টম শ্ৰেণীৰ ছাত্ৰ তথা আশ্ৰাবাৰী গাঁৱৰ বাসিন্দা গৌমছাৰ নাৰ্জাৰীয়ে কালি পৰীক্ষা দি ঘৰলৈ আহি থকা সময়তে উচ্চ ক্ষমতাসম্পন্ন বৈদ্যুতিক তাঁৰৰ সংস্পৰ্শত অহাৰ পাছত বিদ্যুৎপৃষ্ট হৈ থিতাতে ছাত্ৰজনৰ মৃত্যু হয়। ঘটনাস্থলীত বাসুগাঁও থানাৰ আৰক্ষী উপস্থিত হৈ ছাত্ৰগৰাকীৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে চিকিৎসালয়লৈ প্ৰেৰণ কৰে। ছাত্ৰজনৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

০০০০০০

সমাপ্ত